ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

# অসমৰ লোকসংস্কৃতিত বিবাহ অনুষ্ঠান ঃ এক আলোচনা

প্ৰণাস্মিতা বৰা
স্নাতকোত্তৰ চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ
অসম মহিলা বিশ্ববিদালয়, যোৰহাট

**সংক্ষিপ্তসাৰ ঃ**

অসমীয়া লোকসংস্কৃতিত বিবাহ অনুষ্ঠানে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। বিশেষকৈ বিবাহৰ লগত লোকচাৰ, লোকউপাদান, লোক পৰম্পৰা আদি এই বিবাহ অনুষ্ঠানৰ লগত সংপৃক্ত হৈ থাকে। বিবাহৰ দুটা ভাগ তোলনী বিবাহ আৰু বৰ বিবাহ — দুয়োটাৰ যোগেদি সমাজৰ বিভিন্ন দিশৰ প্ৰতিফলন হোৱা দেখা যায়। তদুপৰি অসমত বাস কৰা বিভিন্ন জাতি-জনজাতিৰ সাংস্কৃতিক উপাদানো বিবাহ অনুষ্ঠানৰ লগত মিলি গৈছে। অৱশ্যে বৰ্তমানে আধুনিকতাৰ প্ৰভাৱত কিছুমান ৰীতি-নীতি হেৰাই যোৱাৰ উপক্ৰম হৈছে যদিও মূল ঐতিহ্য এতিয়াও আছে বুলি ক'ব পাৰি। আমাৰ এই আলোচনাত অসমীয়া বিবাহৰ উপৰিও অসমত বসবাস কৰি থকা বিভিন্ন জনজাতিৰ বিবাহ অনুষ্ঠানৰ কিছু আভাস দিবলৈ প্ৰয়াস কৰা হ'ব।

**বীজশব্দ ঃ** বিবাহ, দৰা-কইনা, সংস্কৃতি, লোকসংস্কৃতি

## ১.০ অৱতৰণিকা ঃ

### ১.১ বিষয়ৰ পৰিচয় ঃ

সংস্কৃতি হৈছে এখন সমাজৰ দাপোন। এই দাপোনখনতে সমাজখনৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক সকলো দিশ প্ৰতিফলিত হয়। সংস্কৃতিৰ অংশ হিচাপে লোক-সংস্কৃতিয়ে সেই সমাজৰ সকলো দিশ কঢ়িয়াই লৈ ফুৰে। যিদৰে প্ৰতিটো জাতিৰে নিজা লোক-সংস্কৃতি আছে, সেইদৰে অসমীয়া জাতিটো নিজস্ব লোক-সংস্কৃতিৰে পৰিপূৰ্ণ। মৌখিক সাহিত্যৰ পৰা লিখিত সাহিত্যলৈকে অসমীয়া সমাজৰ সংস্কৃতি সুকীয়া। আমাৰ সমাজত প্ৰচলিত বিবাহ অনুষ্ঠানসমূহ অসমীয়া লোক-সংস্কৃতিৰ অন্তৰ্গত। অসমীয়া লোক-সংস্কৃতিত বিবাহ অনুষ্ঠান-আলোচ্য বিষয় অনুসৰি অসমত পালন কৰা বিবাহ অনুষ্ঠানৰ বিষয়ে আলোচনা কৰা হ'ব। আলোচনা পত্ৰখনত লোক-সংস্কৃতিৰ চমু আভাস দি অসমত প্ৰচলিত বৰ বিয়া, তোলনী বিয়া, ভেকুলী বিয়াৰ বিষয়ে আলোচনা কৰা হৈছে। বিবাহৰ লগত জড়িত লোক বিশ্বাসসমূহৰ এক আভাস দিয়া হৈছে। বিভিন্ন নীতি-নিয়মৰ সৈতে আয়তীসকলৰ দ্বাৰা পৰিৱেশিত বিয়ানামসমূহৰ উল্লেখ কৰা হৈছে। এই বিয়ানামৰ যোগেদি আয়তীসকলে দৰা-কইনাক ভৱিষ্যত জীৱনৰ বাৰ্তা প্ৰদান কৰে।

বিভিন্ন জনগোষ্ঠীৰ সংযোগৰ ফলত অসমীয়া জাতি গঠন হৈছে। সকলো জাতি-জনজাতিৰ উপাদান অসমীয়া সংস্কৃতিত প্ৰতিফলিত হয়। এই জনজাতীয় উপাদান অবিহনে অসমীয়া সংস্কৃতি আধৰুৱা। গতিকে

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

অসমীয়া বিবাহৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে জনগোষ্ঠীয় বিবাহৰ বিষয়ে আলোচনা কৰা হৈছে। অসমত বসবাস কৰা জনগোষ্ঠীয় লোকসকলৰ বিবাহৰ ক্ষেত্ৰত সুকীয়া ৰীতি-নীতি আছে।

উল্লিখিত সকলোবোৰ দিশ সামৰি আলোচনা পত্ৰখনত অসমীয়া লোক-সংস্কৃতিত বিবাহ অনুষ্ঠানৰ বিষয়ে আলোচনা কৰা হ'ব।

**১.২ অধ্যয়নৰ উদ্দেশ্য ঃ**

- অসমীয়া লোক-সংস্কৃতিৰ অন্তৰ্গত বিবাহ অনুষ্ঠানৰ বিষয়ে আলোচনা কৰাটোৱে এই অধ্যয়নৰ উদ্দেশ্য।
- অসমত বসবাস কৰা জনজাতীয় বিবাহ অনুষ্ঠানৰ আলোনা কৰা এই অধ্যয়নৰ অন্য এক উদ্দেশ্য।

**১.৩ অধ্যয়নৰ গুৰুত্ব ঃ**

অসমত প্ৰচলিত বিবাহ অনুষ্ঠানসমূহ সময়ৰ সোঁতত সালসলনি হৈ হেৰাই গৈছে। গতিকে এই বিষয়ে আলোচনা কৰাৰ গুৰুত্ব আছে।

**১.৪ অধ্যয়নৰ পৰিসৰ ঃ**

লোক-সংস্কৃতিৰ অন্যতম ভাগ বিবাহ অনুষ্ঠানৰ বিষয়ে আলোচনা কৰা হ্চব। অসমত বসবাস কৰা দেউৰী, তিৱা, ৰাভা, বিবাহ অনুষ্ঠানৰ বিষয়ে আলোচনাতেই ইয়াৰ পৰিসৰ সীমাৱদ্ধ হৈ থাকিব।

**১.৫ অধ্যয়নৰ পদ্ধতি ঃ**

উল্লিখিত বিষয়টো আলোচনা কৰিব যাওঁতে বৰ্ণনাত্মক অধ্যয়ন পদ্ধতি ব্যৱহাৰ কৰা হৈছে।

**১.৬ অধ্যয়নৰ উৎস ঃ**

উক্ত বিষয়টো আলোচনাৰ বাবে গৌণ আৰু মুখ্য উৎস লোৱা হৈছে—

অধ্যয়নৰ বাবে মুখ্য গ্ৰন্থকেইখন হৈছে—

- নবীন চন্দ্ৰ শৰ্মাৰ অসমীয়া লোক-সংস্কৃতিৰ আভাস
- নগেন শইকীয়াৰ অসমৰ লোক-সাহিত্য
- উপেন ৰাভা হাকাচামৰ বৰ অসমৰ বৰ্ণিল সংস্কৃতি
- ভৃগুমোহন গোস্বামীৰ সংস্কৃতি কৃষ্টি জনকৃষ্টি আৰু অন্যান্য গ্ৰন্থ
- প্ৰফুল্ল কুমাৰ নাথৰ অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ৰূপৰেখা আৰু অসমৰ জনগোষ্ঠীয় ঐতিহ্য
- মিলেশ্বৰ পাতৰৰ তিৱা জাতিৰ সমাজ আৰু সংস্কৃতি


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

- বিদ্যাভূষণ দেউৰীৰ দেউৰী জাতিৰ ইতিহাস আৰু কৃষ্টি-সংস্কৃতিৰ পম খেদি
- মিলকান্তি বিশ্বাসৰ প্ৰসঙ্গ ঃ লোকসংস্কৃতি গ্ৰন্থখন
- নিৰ্মলপ্ৰভা বৰদলৈৰ অসমৰ লোক সংস্কৃতি

অধ্যয়নৰ বাবে লোৱা গৌণ গ্ৰন্থখন হৈছে— নাৰায়ণ দাস আৰু পৰমানন্দ ৰাজবংশীৰ দ্বাৰা সম্পাদিত অসমীয়া সংস্কৃতি কণিকা।

## ১.৭ পূৰ্ব আলোচিত গ্ৰন্থ ঃ

- নবীন চন্দ্ৰ শৰ্মাৰ অসমীয়া লোক-সংস্কৃতিৰ আভাস, নগেন শইকীয়াৰ অসমৰ লোক-সাহিত্য, উপেন ৰাভা হাকাচামৰ বৰ অসমৰ বৰ্ণিল সংস্কৃতি, ভৃগুমোহন গোস্বামীৰ সংস্কৃতি কৃষ্টি জনকৃষ্টি আৰু অন্যান্য, নাৰায়ণ দাস আৰু পৰমানন্দ ৰাজবংশীৰ দ্বাৰা সম্পাদিত অসমীয়া সংস্কৃতি কণিকা, মিলকান্তি বিশ্বাসৰ প্ৰসঙ্গ ঃ লোকসংস্কৃতি গ্ৰন্থকেইখনত পূৰ্বতে লোক-সংস্কৃতি, অসমীয়া বিবাহ প্ৰথা, বিবাহৰ সৈতে জড়িত বিভিন্ন ৰীতি-নীতি তথা বিশ্বাসসমূহৰ বিষয়ে আলোচনা হৈছে।
- প্ৰফুল্ল কুমাৰ নাথৰ অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ৰূপৰেখা আৰু অসমৰ জনগোষ্ঠীয় ঐতিহ্য, মিলেশ্বৰ পাতৰৰ তিৱা জাতিৰ সমাজ আৰু সংস্কৃতি, বিদ্যাভূষণ দেউৰীৰ দেউৰী জাতিৰ ইতিহাস আৰু কৃষ্টি-সংস্কৃতিৰ পম খেতি গ্ৰন্থকেইখনত অসমৰ জনজাতীয় লোকসকলৰ বিবাহ প্ৰথাৰ বিষয়ে আলোচনা হৈছে।

## ২.০ লোকসংস্কৃতিৰ চমু আভাস ঃ

লোকজীৱনৰ প্ৰতিটো কৰ্ম, প্ৰতিটো উপাদানৰ প্ৰতিফলনকেই লোকসংস্কৃতি বুলি কোৱা হয়। "লোকসংস্কৃতিৰ ইংৰাজী প্ৰতিশব্দ হৈছে Folk-culture। আনহাতে folklore সূচাবৰ বাবে লোকসংস্কৃতি পদটো ব্যৱহাৰ হৈছে। Folk মানে লোক বা জন, lore মানে বিদ্যা। এইফালৰ পৰা folklore বুজাবৰ বাবে লোক-বিদ্যাক ব্যৱহাৰ কৰা হয়।"[1]

লোকসংস্কৃতিয়ে সাধাৰণ মানুহৰ জীৱন, আশা-আকাংক্ষা, হৰ্ষ-বিষাদ, ৰীতি-নীতি, চিন্তা ভাবনা আদিৰ প্ৰতিফলন ঘটায়। সমাজত প্ৰচলিত মৌখিক সাহিত্য, লোকাচাৰ, বিশ্বাস-অন্ধবিশ্বাস সকলোবোৰ নিজৰ মাজত সামৰি লোকসংস্কৃতি আগবাঢ়ি যায়। অসমত বিভিন্ন জাতি-জনজাতিয়ে বসবাস কৰে। সকলোৰে নিজা কিছুমান লোকসংস্কৃতি আছে, এই সকলোবোৰৰ সংমিশ্ৰণৰ ফলত অসমীয়া গঢ় লৈ উঠিছে। অসমীয়া লোকসংস্কৃতি বিভিন্ন লোকাচাৰ, লোকবিশ্বাস, জনৰীতি, মৌখিক কলা, ভৌতিক কলা আদিৰে পৰিপূৰ্ণ।

## ২.১ সংজ্ঞা ঃ

লোক-সংস্কৃতিৰ বিষয়ে বিভিন্নজন পণ্ডিতে বিভিন্ন ধৰণে মত পোষণ কৰিছে—

- "Jonas Balysৰ মতে, লোক-বিদ্যা, আদিম আৰু সভ্য জনসাধাৰণৰ পৰম্পৰাগত সৃষ্টি। জনবিশ্বাস, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, খেলা-ধূলা, নাচন-কাচন, পৰিৱেশ্য কলা-ৰীতি আদি ইয়াৰ সমল বা উপাদান। লোক-বিদ্যা কেৱল লোক-বিজ্ঞান নহয়, বৰং ই পৰম্পৰাগত লোক-বিজ্ঞানহে।"[2]

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

- প্রসঙ্গ লোকসংস্কৃতি গ্রন্থত মিলনকান্তি বিশ্বাসে কৈছে— “লোকসংস্কৃতি হলো এমন একটি বিষয়, যা ঐতিহ্যশ্রয়ী মানুষের একক কিংবা যৌথ প্রয়াসের মাধ্যমে বংশপরম্পরায় প্ৰৱাহিত হয়ে চলে। সেই ঐতিহ্যশ্রয়ী মানুষের জীৱনচর্যা অর্থাত জীবিকা বা পেশা, খাদ্যদ্রব্য, পোশাক-পৰিচ্ছদ, আচার-আচরণ, রীতি-নীতি, বিশ্বাস-সংস্কার প্রভৃতির সঙ্গে তাদের মানসচর্চা অর্থাত উতসব-অনুষ্ঠান, গান-বাজনা, নৃত্য-অভিনয়, পাল-পার্বণ, মৈখিক সাহিত্য, চারুকলা-কারুকলা, খেলা-ধূলা, মন্ত্র-তন্ত্র, ঝড়-ফুঁক প্রভিতি সামগ্রিক কৃতিকে ফোকলার বা লোকসমস্কৃতি নামে অভিহিত করা যায়।”[3]
- ৰবার্ট ৰেডফ্লিডৰ মতে, “কৃষক সমাজৰ সংস্কৃতিয়েই লোকসংস্কৃতি।”[4]

## ৩.০ লোক-সংস্কৃতিত বিবাহ অনুষ্ঠান ঃ

অসমীয়া লোক-সংস্কৃতিৰ এক অংশ হৈছে বিবাহ। বিবাহে দুখন সমাজ, দুটা পৰিয়ালক এক কৰে। আমাৰ লোকসংস্কৃতিত বৰ বিয়া, তোলনী বিয়া, ভেকুলী বিয়া, বিভিন্ন জনজাতিৰ মাজত বিভিন্ন ধৰণে বিবাহ সম্পন্ন কৰা হয়। এই বিবাহসমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

## ৩.১ বৰ বিয়া ঃ

অসমত প্ৰচলিত বিবাহসমূহৰ ভিতৰত বৰ বিবাহ এক আনন্দদায়ক অনুষ্ঠান। বিবাহে দুখন পৰিয়ালক এক কৰে। বিবাহযোগ্য ল'ৰা-ছোৱালী থাকিলে ঘটকে দুয়োপক্ষক খবৰ দিয়ে। দৰাপক্ষই দিন-বাৰ চাই ছোৱালীঘৰত ছোৱালীজনীক চাবলৈ আহে। ল'ৰা-ছোৱালী আৰু পৰিয়াল সন্মত হ'লে পিছত এদিন তামোল-পাণ পেলাবলৈ আহে। নিৰ্দিষ্ট এটা দিনত দৰাপক্ষৰ আত্মীয়-স্বজন আহি তামোল-পাণ কাটি খাই বিবাহৰ দিন ধাৰ্য কৰে। লগত অহা মানুহখিনিক কইনাই মান ধৰে। ইয়াৰ পিছতে বিভিন্ন ৰীতি-নীতিৰ মাজেৰে বিবাহখন সম্পন্ন কৰা হয়। দিন-বাৰ ধাৰ্য কৰা পিছত বিবাহৰ আগদিনা বা বিবাহৰ দিনাই জোৰোণ দিয়া হয়। জোৰোণ যোৱাৰ পিছত পানী তুলিবলৈ যায়। কইনা ঘৰত সেইদিনা কইনা দানৰ ভোজ দিয়া হয়। গাঁঠিয়ন খুন্দাৰ পিছত কইনা, মাক-দেউতাকে হবিষ্যান্ন খায়। বিয়াৰ দিনা ৰাতিপুৱাই দৈয়ন দিয়া হয়। পূৰ্বপুৰুষৰ আশীৰ্বাদ বিচাৰি নপুৰুষৰ শ্ৰাদ্ধ পতা হয়। নীতি-নিয়মেৰে দৰা-কইনাক নোৱাই সজোৱা হয়। দৰাঘৰৰ পৰা দৰাৰ সৈতে বৰযাত্ৰী আহি কইনাঘৰৰ পদূলি পাওঁতে কইনাঘৰীয়াই আগভেটি ধৰে। বিভিন্ন প্ৰশ্নৰে দৰাক ব্যতিব্যস্ত কৰি তোলে। কথাৰে, বিয়ানামেৰে কটাকটি হোৱাৰ পিছত গে'ট খুলি দিয়ে। পদূলিত পাৰি থোৱা বৰপীৰাত কইনাৰ ভনীয়েকে ভৰি ধুৱাই দিয়াৰ পিছত মাকে আদৰি আনে। এফালে হোমৰ গুৰিত দৰা বহাৰ পিছত দৰাৰ ভায়েকে তামোল-পাণৰ শৰাই লৈ কইনা খুজিবলৈ যায়। কইনাক হোমৰ গুৰিলৈ উলিয়াই অনা হয়। পুৰোহিতৰ মাঙ্গলিক মন্ত্ৰ উচ্চাৰণৰ লগে লগে মালা পিন্ধোৱা, আখৈ দিয়া, কন্যাদান, লগুণ গাঁথি বন্ধনৰ নিয়মবোৰ হৈ যোৱাৰ পিছত কইনাই দৰাক সেৱা কৰে। বিয়া ভগাৰ পিছত মাকে জী-জোঁৱাইক ভিতৰলৈ নি আমসাৰ, চাকিসাৰ দিয়ে। তাৰ পিছত জলপান, পায়স শুঙি চাবলৈ দিয়া হয়। আঙুঠি বিচৰা, তামোল-কটাৰীৰ খেল শেষ হোৱাৰ পিছত কইনা বিদায়ৰ যো-জা চলায়। পুৱতি নিশা কইনাক বিদায় দিয়া হয়। পৰ্দাৰ সিপাৰে মুখ কৰি দুৱাৰত দুখন হাত দি থকা মাকৰ বাওঁ কাষতলিৰ তলেৰে মুখ কৰি সোঁহাতৰ তলেদি কইনা ওলাই যায়। দৰা-কইনা দৰাঘৰ পোৱাৰ পিছত বনীয়েকে ভৰি ধুৱাই দিয়ে আৰু মাকে দুয়োকে আদৰি আনে।


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

ইয়াৰ পিছতে বাহী বিয়াৰ নিয়ম কৰা হয়। কইনা থবলৈ অহা মানুহখিনি কইনা থৈ উভতি যায়। বিয়াৰ আঠদিন পিছত আঠমঙলা খাবলৈ আহে। সেইদিনা কইনা মাকৰ ঘৰত থাকিব দিয়া নহয়।

## ৩.২ তোলনী বিয়া ঃ

অসমত অনুষ্ঠিত বিভিন্ন বিবাহৰ ভিতৰত তোলনী বিয়াৰো গুৰুত্ব আছে। ছোৱালী এজনী পুষ্পিতা হ'লে পুৰুষ, চন্দ্ৰ-সূৰ্যৰ পোহৰৰ পৰা আছুতীয়া কোঠা এটাৰ চুকত ভৰাই চাৰিদিন ভৰাই থোৱা হয়। এটা দুণৰিত ডম্বৰু গুটি, ডালিম ফুল, চাউল, কল আৰু মাটিৰ চাকি এগছি জ্বলাই থয়। মাটিৰ কলহ বা লোটা এটাত পানী ভৰাই আম ডাল এটা দি এৰা সূতাৰে তিনিপাক মেৰিয়াই পূৰমুৱাকৈ ৰাখে। আয়তীসকলে ডালিম বা ডিমৰু গুটি তিনিটা, ছিগা চুলি, ৰঙা-বগা এৰাসূতা, মালা এধাৰি, খৰিকা পাঁচডালেৰে সৈতে নতুন গামোচা এখনত কনাই বান্ধে। পুৰোহিতৰ দ্বাৰা ছোৱালীজনীৰ কি যুগ পৰিছে নিৰ্ধাৰণ কৰি বিয়া তোলা হয়।

ছোৱালীজনীক প্ৰথম তিনিদিন বুট, ফল-মূল, গাখীৰ খাবলৈ দিয়ে। তিনিদিনৰ দিনা আখৈ ভজা হয়। চাৰিদিনৰ দিনা ওচৰ-চুবুৰীয়া গোট খাই ঋতুস্নান কৰায়। পূৰমুৱাকৈ কলপুলি এডাল পুতি বেই সজা হয়। মাকে ছোৱালীজনীক আঁচলত ধৰি ওলাই আনে। পিছে পিছে সৰু ছোৱালী এজনীয়ে পানী ছটিয়াই আহে। মাহ-হালধিৰে ছোৱালীজনীৰ সৈতে কনাইটোকো গা ধুৱাই দিয়ে। বেইৰ ভিতৰতে প্ৰথমতে সূৰ্যলৈ, দ্বিতীয়তে এথোক তামোল, তৃতীয়তে মাকলৈ চাই সেৱা কৰিব লাগে। কাপোৰ-কানি সলাই কলগছজোপাক সেৱা কৰি ছোৱালীজনীক ভিতৰলৈ অনা হয়। ভিতৰৰ কোঠা এটাত পাটী এখনত চাউল ছটিয়াই বহিবলৈ দিয়া হয়। ছোৱালীজনীক আমসাৰ, চাকিসাৰ দি মাক আৰু ছোৱালীয়ে সেৱা জনায়। চাৰিদিনৰ পাছৰ পৰা ছোৱালীজনীক হবিষ্যান্ন খাবলৈ দিয়া হয়। সাতদিনৰ দিনা চাৰিদিনত কৰা দৰেই গা ধুৱাই ৰভাৰ তলত বহিবলৈ দিয়ে। ছোৱালীজনীক ধুনীয়াকৈ সজাই-পৰাই বিয়ানামৰ দ্বাৰা পৰৱৰ্তী জীৱনৰ বাৰ্তা দিয়া হয়। তাৰপাছত আনে কনাই লোৱা পৰ্ব। বাটি এটাত পিঠাগুৰি দি কনাইটো তাত থৈ প্ৰথমতে মাকৰ সৈতে তিনিবাৰ ছোৱালীজনীৰ সৈতে সলায়। এনেকৈ ঘৰৰ বাকীসকলেও কনাই লয়। এই নিয়মটো কৰি ছোৱালীজনীয়ে সৰু ল'ৰা-ছোৱালী তিনিটাক কোচত বহুৱাই লাডু খাবলৈ দিয়ে। ছোৱালীজনীয়ে সকলোৰে আগত সেৱা কৰি আৰ্শীবাদ বিচাৰে। আয়তীসকল আৰু অন্যান্য লোকসকলক আপ্যায়িত কৰাৰ পিছত বিয়া শেষ হয়।

## ৪.০ অসমত বসবাস কৰা বিভিন্ন জনজাতিৰ বিবাহ অনুষ্ঠান ঃ

## ৪.১ দেউৰী ঃ

অসমত বসবাস কৰা বিভিন্ন জনজাতিৰ ভিতৰত দেউৰীসকল অন্যতম। দেউৰীসকলৰ বিবাহ অনুষ্ঠানৰ সুকীয়া পৰম্পৰা আছে। দেউৰী সমাজৰ মূল বিয়া তিনি প্ৰকাৰৰ। দৰা ঘৰৰ পৰা কইনা ঘৰলৈ নিব লগা ভাৰৰ হিচাপত এই বিবাহক ভাগ কৰা হৈছে— বৰ বিয়া, মাজু বিয়া আৰু সৰু বিয়া। বৰ বিয়াত তিনিখন, মাজু বিয়াত দুখন আৰু সৰু বিয়াত এখন ভাৰ নিব লাগে। দেউৰী সমাজত প্ৰচলিত আন এখন বিয়া হৈছে দালি বিয়া বা পাচি বিয়া। এই বিয়াত দালি বা পাচি এটাত কইনা ঘৰলৈ নিব লগা বস্তুবোৰ ভৰাই লৈ যোৱা হয়। এই দালিটো নিবলৈ দুজনী ছোৱালী দালীভাৰী হিচাপে বন্দোবস্ত কৰে। দৰাক বেইৰ তলত নোওৱাৰ পিছত দৰাক পৰম্পৰাগত সাজ-পাৰ পিন্ধোৱা হয়। উপস্থিত ভকত বা বুঢ়া-মেথাৰ আগত সজাই থোৱা দালিটো আগত ৰাখি দৰাই কইনা ঘৰলৈ সুকলমে গৈ আহিবলৈ সেৱা জনাই আৰ্শীবাদ বিচাৰে। তাৰপাছত

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

দৰাৰ মাক-দেউতাক আৰু অন্য যাত্ৰীসকলে ঢোলে-তাল বজাই বিয়া নাম গাই গাই সকলো দৰাৰ সৈতে কইনা আনিবলৈ যায়। কইনা ঘৰৰ মানুহো কিমান দূৰ ৰাস্তাৰ পৰা দৰা আদৰিব নিৰ্ধাৰণ কৰি ওলাই আহে। কইনা ঘৰৰ শেষ আদৰণি গে'টত দাং বান্ধি থোৱা থাকে যাতে দৰা আৰু সহযাত্ৰীসকল সহজে প্ৰৱেশ কৰিব নোৱাৰে। দুয়ো পক্ষৰ নামতীয়ে গে'টতে বিয়ানামেৰে কটা-কটি নাম গাই শেষত কইনা ঘৰৰ দুৱাৰ দাং কাটি ৰাস্তা খুলি দিবলৈ বাধ্য কৰোৱায়। কইনাৰ মাকে দৰাক নিৰ্দিষ্টকৈ ৰখা ঠাইত বহিবলৈ দিয়ে। দৰাক বহুৱাই দৰাৰ মাকৰ সৈতে তামোল-চালি খাই কথা-বতৰা পাতে।

দালীভাৰী দুজনীয়ে কইনা ঘৰত দালিটো পাথৰীয়াক চমজাই দিয়ে। পাথৰীয়া কইনাঘৰৰ ৰভা তলিত সোমোৱাৰ লগে লগে তেওঁক সন্মান জনাবলৈ কইনাৰ সখীয়েকে কৌপাতেৰে ধুনীয়াকৈ বান্ধি সজাই পৰাই ঢাকি অনা পীৰাখনত বহিবলৈ দিয়ে। পাথৰীয়াই পীৰাখনৰ ওপৰত সোঁ-হাতৰ কেওটা আঙুলি ৰাখি নমস্কাৰ জনায়। কিন্তু পীৰাখনত নবহি সমাজৰ মাজত নিজ আসনত বহে। বিবাহত দেউৰী সমাজত প্ৰচলিত অন্য এক পৰম্পৰা হৈছে— দৰাঘৰৰ পৰা নিয়া চাউল,মাছ, গাহৰি, মদ, তামোল-পাণ আদি বস্তুৰ সৈতে কইনা ঘৰৰ বস্তু মিলাই ভোজ তৈয়াৰ কৰা হয়। ভোজত বহা সকলো ৰাইজৰ আগত দৰা-কইনাই সেৱা জনাই যুগ্ম জীৱনৰ মংগলৰ বাবে আৰ্শীবাদ বিচাৰে। কইনাৰ দেউতাকে ৰাইজৰ আগত শৰণাপন্ন হৈ শৰাই এখনত টকা-পইচাৰ সৈতে আগবঢ়াই জীয়েকক নিজ বংশ ছেদ কৰি কোন বংশলৈ উলিয়াই দিছে তাৰ গোচৰ দিয়ে। ৰাইজে গোচৰটো সমৰ্থন কৰি আৰ্শীবাদ প্ৰদান কৰে। কইনাৰ ঘৰৰ পৰা আগবঢ়োৱা শৰাইখনতে পাথৰীয়াই সম-পৰিমাণৰ টকা আগবঢ়োৱাটো দেউৰী সমাজৰ এক পৰম্পৰা।

গা-ধন দিয়া প্ৰথা দেউৰী সমাজতো প্ৰচলিত। এই ক্ষেত্ৰত তেওঁলোকৰ সুকীয়া প্ৰথা আছে। ছোৱালীৰ মাক-দেউতাকে ধাৰ্য কৰা গা-ধন ৰাইজে দেখা পোৱাকৈ আগবঢ়াব লাগে। সেই টকা কইনাৰ দেউতাকক চমজাই দি তামোল-পাণ কাটি ৰাইজে খায়। ইয়াৰ লগে লগে শুকান মাছৰ আদা ভাজিৰে দুয়ো পক্ষৰ মিহলি মদ অথবা চুজে বাকি আৰ্শীবাদ দিয়ে। এইসমূহ নিয়ম হোৱাৰ পিছত ছোৱালী সম্প্ৰদানৰ নিয়ম কৰে। সম্প্ৰদানৰ পিছতে কইনাক বিদায় দিয়া হয়। কইনাক বিদায় দিয়া সময়টো কইনাৰ মাক-দেউতাকৰ সিদ্ধান্ত অনুসৰি সন্ধ্যা বা ৰাতিলৈ কৰা হয়।

কইনাক দৰা ঘৰলৈ অনা পাছত নিজৰ বংশলৈ তুলিবলৈ পাথৰীয়া পোহা বিয়া পতা হয়। পাথৰীয়াৰ সহায়ত ৰাইজক সাক্ষী কৰি ন-কইনাক বোৱাৰীৰূপে নিজ বংশলৈ তুলি লোৱা হয়। পাথৰীয়া বিয়াৰ এটা মনকৰিবলগীয়া দিশ হৈছে— ন-কইনাই ভাত সিজাই ৰাইজক ভাত বিলোৱা কাৰ্য। এই চাৰিবিধ বিবাহৰ উপৰিও দেউৰী সমাজত প্ৰচলিত আন এক বিয়া হৈছে চুৰ কৰা বিয়া বা পলুৱাই গন্ধৰ্ব প্ৰথাৰে পতা বিয়া। এনে বিয়াক মেলনি বিয়া বুলি কোৱা হয়। দেউৰী সমাজত পলুৱাই বিয়া পাতিলে কোনো ধৰ্মীয় কাৰ্যত আগভাগ ল'বলৈ দিয়া নহয়। সেইবাবে ৰীতি-নীতিৰে তেওঁলোকৰ দ্বিতীয়বাৰ বিয়া পাতি দিয়া হয়।

## ৪.২ তিৱা ঃ

বিবাহৰ ক্ষেত্ৰত তিৱা সকলৰো নিৰ্দিষ্ট প্ৰথা, ৰীতি-নীতি আছে। তিৱাসকলৰ বিবাহ হোম-যজ্ঞৰে কৰা নহয়। দৰা কইনা যদি একে কুলৰ হয় তেনে বিবাহ কৰা নহয়। তিৱাসকলৰ মাজত ছয় প্ৰকাৰৰ বিবাহ প্ৰচলন আছে। সেইকেইটা হৈছে—

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

- **বৰ বিয়া ঃ** বিবাহ উপযোগী ল'ৰা-ছোৱালীৰ মাজত সমাজত সাক্ষী কৰি অনুষ্ঠিত বিবাহকে বৰ বিয়া বুলি কোৱা হয়। ল'ৰা-ছোৱালী আৰু দুয়ো পৰিয়ালৰ সহমতত নিৰ্দিষ্ট এটা দিনত বিয়াৰ দিন ধাৰ্য কৰা হয়। কইনাপক্ষ আৰু দৰাপক্ষৰ দুই-চাৰিজন মানুহক সাক্ষী কৰি তামোল-পাণৰ বঁটা আগবঢ়াই বিয়াৰ দিন-বাৰ ঠিক কৰা হয়। এনেদৰে বিয়াৰ দিন ঠিক কৰাটোক বঁটা ভঙা বুলি কোৱা হয়। তিৱাসকলৰ বিবাহত কলপাতেৰে ৰভা দিয়া হয়। ভৈয়ামৰ তিৱাসকলে পানী তুলিবলৈ যাওঁতে পাটিঢোলত ঢুলীয়াই বাটবুলনি বজায়। বৰযাত্ৰী যোৱাৰ সময়তো বুলনি বজায়। বিয়াৰ দিনা ঢোলে-ডগৰে বৰযাত্ৰীসহ কইনা আনিবলৈ যায়। কইনাঘৰলৈ যাওঁতে বৰভাৰ আৰু গৰখীয়াভাৰ নিয়া হয়। গৰখীয়া ভাৰখন কইনাঘৰৰ ডেকাসকলে ল'বলৈ লা-ঢপৰা কৰে। বৰভাৰখন আনি সমাজৰ আগত আগবঢ়াই দিয়ে। বৰজেলাই আনুষ্ঠানিক কামকাজবোৰ কৰি কইনাদানৰ ব্যৱস্থা কৰে। কইনাক ৰভাতলীত অনাৰ পিছত আৰাধ্য দেৱতাক স্তুতি কৰি দৰা-কইনা দুয়োৰে মংগলৰ বাবে আৰ্শীবাদ প্ৰদান কৰে। কইনাঘৰে নিজৰ সাধ্য অনুসৰি সা-সামগ্ৰী দিয়ে। তিৱাসকলৰ এই বিয়াত ৰভাতলীতে এক উচৰ্গা অনুষ্ঠান পাতে। য'ত দৰা-কইনাৰে উপহাৰ হিচাপে কাঁহৰ কাঁহী-বাতি, লোটা, বাকচ, বাচন-বৰ্তন উচৰ্গা হিচাপে আগবঢ়ায়। শেষত পুৱতি নিশা কইনাক বিদায় দিয়া হয়।
- **জোৰোণ বিয়া ঃ** জোৰোণ বিয়াত ল'ৰা-ছোৱালীৰ সন্মতি সাপেক্ষে ছোৱালী চাবলৈ যোৱাৰ ব্যৱস্থা আছে। অৰ্থনৈতিক কাৰণত ছোৱালীঘৰে বিয়াৰ খৰচ বহন কৰিব নোৱাৰিলে দুয়োপক্ষৰ আলোচনাৰ অন্ততঃ এই জোৰোণ বিয়া অনুষ্ঠিত কৰা হয়। এই বিয়াত নিৰ্দিষ্ট দিনত দৰাপক্ষৰ কেইগৰাকীমান লোকৰ সৈতে সন্ধ্যা ভাগত কইনা ঘৰলৈ যায়। কইনাপক্ষৰো আত্মীয়-স্বজন আৰু সমাজৰ বুঢ়া কেইজনমান থাকে। দুয়োপক্ষই সমাজৰ আগত তামোল-পাণৰ বঁটা আগবঢ়ায় মত বিনিময় কৰে। দৰাপক্ষই কইনাঘৰলৈ বৰভাৰ আৰু গৰখীয়া ভাৰ লৈ যায়। কইনা ঘৰৰ সমাজৰ আগত ভাৰ দুখন অৰ্পণ কৰে। সমাজৰ ডেকাসকলৰ মাজত আলোচনা শেষ হ'লে ফা-মহাদেউক উচৰ্গা কৰি দুটি কুকুৰা বলি দিয়ে। কইনাদান হোৱাৰ পিছত দৰা-কইনা দুয়োকে আৰ্শীবাদ প্ৰদান কৰে।
- **গভীয়া ৰখা বা ঘৰজীয়া ৰখা বিয়া ঃ** তিৱা সমাজৰ পৰিয়ালত পুত্ৰ সন্তান নাথাকিলে ছোৱালীৰ বাবে গভীয়া ৰখা নিয়ম আছে। এনে বিয়াত ল'ৰাজন যদি নিজৰ ঘৰ এৰি আহিবলৈ সন্মতি হয় তেতিয়া দুয়োৰে মতামত অনুসৰি এনে বিবাহ সম্পাদন কৰা হয়। ল'ৰাজনৰ ভাই-ককাই সংখ্যা বেছি হ'লে মাটি সম্পত্তি কম হ'লে ল'ৰাই এনে বিয়াত সন্মতি প্ৰদান কৰা দেখা যায়। ল'ৰাজনে ছোৱালীৰ ঘৰলৈ অহাৰ পিছত ছোৱালীৰ ঘৰখনে তামোল-পাণ আগবঢ়াই সমাজত সাক্ষী কৰি বিয়া পাতি দিয়ে। জেলাগুৰুৱে আৰাধ্য দেৱতাক স্তুতি কৰি কুকুৰা এযোৰ বলি দিয়ে আৰু ল'ৰাজন ছোৱালীজনীৰ বংশলৈ তুলি লয়।
- **বলপূৰ্বক ধৰি কৰা বিয়া ঃ** কোনো ল'ৰাই ছোৱালী পচন্দ কৰিলে সেই ছোৱালীজনী যদি বিয়া হ'বলৈ নিবিচাৰে তেতিয়া ল'ৰাজনে বলেৰে ছোৱালীজনীক ধৰি নিয়ে। ইয়াকে বলপূৰ্বক ধৰি কৰা বিয়া বুলি কোৱা হয়। এনেকৈ ধৰি ৰখা ছোৱালীজনীক পিছত গাঁৱৰ খেল-সমাজৰ সাক্ষাতে বিয়া পাতে। সমাজেও বিচাৰ-বিবেচনা কৰি বিয়াৰ স্বীকৃতি প্ৰদান কৰে। বৰ্তমান সময়ত এনে


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

বিয়াৰ প্ৰচলন নোহোৱা হ'ল।

- **ধূম বিয়া বা হঠাতে পতা বিয়া ঃ** কোনো পৰিয়ালত ছোৱালীয়ে যদি কোনো ল'ৰাৰ সৈতে সম্পৰ্কত থাকে আৰু পৰিয়ালে সেই সম্পৰ্ক মানি নলয়, তেতিয়া ছোৱালীৰ অজ্ঞাতে বেলেগ ল'ৰাৰ সৈতে হঠাতে বিয়া পাতি দিয়ে। হঠাতে পতা বাবে এনে বিবাহক ধূম বিবাহ বুলি কোৱা হয়।
- **পলুৱাই নিয়া বিয়া ঃ** তিৱা সমাজত কোনো ল'ৰা-ছোৱালীৰ মাজত প্ৰেম হ'লে ঘৰৰ পৰিয়ালে যদি মান্তি নহয়, তেনে নিৰ্দিষ্ট দিনত ল'ৰাজনে ছোৱালীজনীক পলুৱাই নিয়ে। ছোৱালীজনী ল'ৰাৰ ঘৰলৈ অহাৰ পিছত সমাজক অৱগত কৰা হয়। সমাজে কিবা দায়গোচৰ আছে নেকি বিচাৰ কৰি বিয়া পাতি দিয়ে। ইয়াৰ পিছত সমাজৰ কেইজনমান মানুহে কইনাৰ পিতৃ-মাতৃক জাননী দিয়ে। তেওঁলোকক সঁজাতী দল বুলি কোৱা হয়। সঁজাতী দলটোৱে পিঠা, তামোল-পাণ, মদ একলহ লৈ তামোল-পাণৰ বঁটা আগবঢ়াই ছোৱালীৰ ঘৰত মিতিৰ খোৱা দিন ঠিক কৰি আহে। মিতিৰ খোৱা দিনা দৰাৰ ঘৰৰ আত্মীয়-স্বজন লৈ কইনা ঘৰলৈ যায়। এনেকৈয়ে এই বিয়াৰ আনুষ্ঠানিকতাৰ সামৰণি পৰে।

### ৪.৩ ৰাভা ঃ

অসমত বসবাস কৰা আন এক জনজাতি হৈছে ৰাভাসকল। ৰাভাসকলৰ বিবাহ পদ্ধতি চাৰি প্ৰকাৰত। সেইকেইটা হৈছে— বৰিছেকায়, বৰিবিকায়, নকৃধাংকায় আৰু ক্ৰাংছিবিৰি। বৰিছেকায় বিবাহ হৈছে— দৰাৰ অভিভাৱকে পচন্দ কৰা ছোৱালী ঘৰলৈ গৈ ছোৱালীৰ মতামত থাকিলে বিয়াৰ আয়োজন কৰা হয়। পিছত নিৰ্দিষ্ট দিন এটাত আহি ৰীতি-নীতিৰ মাজেৰে বিয়া পাতি নিয়ে। ল'ৰা-ছোৱালীৰ সন্মতি নাথাকিলে অভিভাৱকে ধৰি বান্ধি পাতি দিয়া বিয়াকে বৰিবাৰায় বিয়া বুলি কোৱা হয়। নিজৰ ইচ্ছা অনুসৰি ল'ৰা-ছোৱালীয়ে নিজে ঘৰ আহি সোমায় বা বিয়া হ'লে নকৃধাংকায় বিয়া বুলি কোৱা হয়। কইনাৰ অজ্ঞাতে ঘৰ সোমাই দৰাই পচন্দ কৰা ছোৱালীজনীক তেল-সেন্দুৰ দি পতা বিয়াকে ক্ৰাংছিবিৰি বিয়া বুলি কোৱা হয়। বৰ্তমান ৰাভাসকলৰ মাজত সামাজিক বিয়া, সাদৰি অনা বিয়া, গোপন বিয়া, বিধৱা বিয়া, ঘৰ-জোঁৱাই বিয়া, কাম্বুং বিয়া আৰু ৰেজিষ্টাৰী বিয়াৰ প্ৰচলন হৈছে। ৰাভাসকলৰ বিবাহ কাৰ্য দৰাৰ ঘৰত সমাপন কৰা হয়।

অসমত বসবাস কৰা আন জনজাতিৰ মাজত বিভিন্ন ধৰণে বিবাহ কাৰ্য সম্পন্ন কৰা হয়। আহোমসকলৰ এশ এগছ চাকিৰে চকলং বিয়া পতা হয়। গাৰোসকলৰ মাজত এঘাৰ প্ৰকাৰৰ বিয়াৰ প্ৰচলন আছে। সেইকেইটা হৈছে— নোখ্ৰম বিয়া, আগাতে বিয়া, খ্ৰীষ্টিয়ান বিয়া, সকলৰ বিবাহ পদ্ধতি দুইপ্ৰকাৰৰ। এটা বৈদিক প্ৰথাৰে আৰু আনটো সামাজিক পদ্ধতিৰে। বিবাহক কোচসকলে হালং বুলি কয়। কোচসকলৰ বিয়া চাৰি প্ৰকাৰৰ— মাতাবিয়া, ডাঙ্গুৱাবিয়া, ণকহুৱাত কনি আৰু চাকচাঠুংলাউণি।

## ৫.০ জনসমাজত প্ৰচলিত ভেকুলী বিবাহ ঃ

অসমীয়া সমাজত প্ৰচলিত এক লোকবিশ্বাস হৈছে ভেকুলী বিয়া। অসমীয়া সমাজ কৃষিজীৱী। বৰষুণ নিদিলে অথবা খৰাং হ'লে ভেকুলী বিয়া পাতি দিয়া হয়। পূৰ্বৰে পৰা প্ৰচলিত হৈ আহিছে— মেঘ আৰু ভেকুলীৰ এক যাদুমূলক সম্পৰ্ক আছে। গতিকে ভেকুলীৰ বিয়া পাতি দিলে মেঘ সন্তুষ্ট হয় আৰু

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

বৰষুণ দিয়ে। মানুহৰ দৰেই ভেকুলীৰ বিয়া পতা হয়। দুঘৰ মানুহৰ ঘৰত ভেকুলী ধৰি আনি নীতি-নিয়মৰ মাজেৰে বিয়া পাতি দিয়া হয়। মানুহৰ বিয়াত কৰাৰ দৰেই পানী তোলা, মাহ-হালধীৰে নোওৱা, হোম যজ্ঞ কৰি বিয়া পাতি দিয়া হয়।

## ৬.০ বিবাহৰ উপাদানসমূহ ঃ

- **জোৰোণ ঃ** দিন-বাৰ ধাৰ্য কৰাৰ পিছত বিবাহৰ আগদিনা বা বিবাহৰ দিনাই জোৰোণ দিয়া হয়। জোৰোণক নামনি অসমত তেলৰ ভাৰ বুলি কোৱা হয়। জোৰোণৰ দিনাই দৰা-কইনা দুয়োঘৰৰ পদূলিত শিপাৰে সৈতে তুলি অনা ভীমকলৰ পুলি পোতা হয়। কলপুলিৰ তলত দুটা কলহত পানী ভৰাই পাঁচটা বা সাতটা আমপাত দি ঠাৰি থকা নাৰিকল দিয়া হয়। কলপুলিত মাটিৰ মকুৰা, আমপাত, তামোল-পাণেৰে বাটমলা আঁৰি দিয়া হয়। এই কলৰ তলেৰে জোৰোণ লৈ যোৱাৰ নিয়ম আছে। জোৰোণত এথোক তামোল, পাণ, এটা বাকলি থকা মাছ, দৈ, নাৰিকল, সুৱাগৰ চাউল, মাহ-হালধি, কইনাই বিয়াত ব্যৱহাৰ কৰিবলগীয়া বয়-বস্তু সকলো দিয়া হয়। দৰাৰ মাকৰ সৈতে কেইগৰাকীমান মহিলা শুভক্ষণত আহি জোৰোণ দিয়ে। জোৰোণ দিবলৈ ওলোৱাৰ সময়ত দৰাৰ ঘৰত এনেদৰে বিয়ানাম গায়। জোৰোণ লৈ আহি কইনাঘৰৰ আমদালি আঁৰাৰ দুয়োফালে কলপুলি পোতা পদূলিত থিয় হয়। দৰাঘৰীয়াই কইনাঘৰৰ পদূলিত গায়। পদূলিত কলৰ তলত জোৰোণ আহি পোৱাৰ লগে লগে জোৰোণ আদৰি আনে। জোৰোণ আদৰিবলৈ আহোঁতে কইনাৰ মাকে তামোল-পাণৰে শৰাই এখন আনি দুই বিয়নীয়ে কলতলতে দৰাঘৰৰ পৰা অনা শৰাই তিনিবাৰ সলায়। শৰাই সলাই দুই বিয়নীয়ে ইগৰাকীয়ে সিগৰাকীক সাৱটি লোৱাৰ নিয়ম আছে; যিটোক বিয়নী সাৱটা বুলি কয়। তাৰ পাছতে জোৰোণৰ তলত অহা অতিথিসকলক আদৰি আনি ৰভা তলত বহিবলৈ দিয়া হয়। ৰভাৰ চোতালত চাৰিটা কলপুলি, ওপৰত আমডালি আঁৰা থাকে। কইনাক ৰভাৰ তলত আনি সেৱা কৰি বহোৱা হয়। জোৰোণত অনা সেন্দুৰ প্ৰথমে কইনাৰ শিৰত তামোল এটা আৰু আঙুঠি এটাৰে দৰাৰ মাকে উৰুলীধ্বনীৰে আঁকি দিয়ে। তাৰপিছতে জোৰোণৰ কাপোৰযোৰ আৰু গহনা-গাঁথৰিবোৰ পিন্ধাই দিয়া হয়। জোৰোণত অনা অন্য কাপোৰবোৰ কইনাৰ গাতে দি দিয়া হয়। জোৰোণত অনা বস্তুবোৰ কইনাক স্পৰ্শ কৰিব দিয়া হয়। জোৰোণ পিন্ধোৱাৰ পিছত কইনাই শিশু দুটামানক কোলাত লৈ মিঠাই খুৱায়। দৰাই যিযোৰ কাপোৰ বিয়াৰ দিনা পিন্ধি আহিব সেই সাজজোৰ দি পঠায়। জোৰোণত নিয়া মাহ-হালধী আধা উভতাই নিয়ে। জোৰোণৰ নীতি-নিয়ম শেষ হোৱাৰ পিছত যি বাটেৰে আহিছিল সেই বাটেৰ উভতি যায়।
- **পানী তোলা ঃ** জোৰোণ দি অহাৰ পিছতে পানী তুলিবলৈ যোৱা হয়। পাঁচজনী বা সাতজনী আয়তীয়ে পানী তোলা ঘট লয়। প্ৰধান ঘটটোত বগা কাপোৰ মেৰিয়াই আমপাত ভৰাই নিয়া হয়। পানী তুলিবলৈ যাওঁতে দুণৰি আগত লৈ যায়। দুণৰিটোত আৰৈ চাউল, তামোল-পাণ, কল, পইচা আৰু চাকি এগছ জ্বলাই নিয়া হয়। উৰুলি দি পানী তোলা ঘট লয়। আগ ঘট লোৱা গৰাকীয়ে পানী তুলিবলৈ লওঁতে জলদেৱতাক প্ৰণাম কৰি পানীখিনি হাতেৰে লৰাই লয়। তামোল-পাণ, মাননিসহ প্ৰণাম কৰি কটাৰীৰে পানীখিনি কাটি লোৱা হয়। পানীখিনি হাতেৰে ধৰি গংগা আবাহন কৰি মন্ত্ৰ মাতে। চাৰিওদিনৰ পৰা পানী ভৰাই ঘটটো পূৰ কৰিব লাগে। আগ ঘট লোৱা গৰাকীয়ে


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

মুখৰ ভিতৰত পানী অলপ ভৰাই আনে। চন্দ্ৰ-সূৰ্যলৈ সেৱা কৰি উভতি আহে। ঘাটৰ পৰা উঠি আহি আয়তীসকলে পাছফালে ঘূৰি নাচায়। বিয়ানাম গাই গাই আয়তীসকল পদূলিমুখ পায়। দৈৱকীয়ে ঘটৰ আমপাত পানীত তিয়াই ঘৰৰ ছালৰ ওপৰত ছটিয়ায়। আগ ঘট লোৱা গৰাকীয়ে মুখত ভৰাই অনা পানীখিনি পেলাই দি ভিতৰলৈ সোমাই যায়। হৰিধ্বনি দি ঘটকেইটা নিৰ্দিষ্ট ঠাইত থয়।

- **নোওৱা ঃ** বিয়াৰ দিনা দৰা-কইনাক নোওৱা হয়। গা ধোৱাবৰ বাবে বেই তৈয়াৰ কৰা হয়। চাৰি বৰ্গফুট মাটিৰ চাৰিওফালে চাৰিটা কলপুলি পুতি তাত আমডালি আঁৰি দিয়া হয়। ভেটিটোৰ তলত এটা ভোজনী, হাঁহৰ কণী, তামোল-পাণ দি পুতিব লাগে। ভেঁটিটো কলপটুৱাৰে সজাই তাত এখন বৰ পীৰা পাৰি নোওৱা হয়। বেইত সোমোৱাৰ আগত দৰা-কইনা উভয়ে বেইৰ চাৰিওফালে তিনিপাক মাৰি সোমাব লাগে। আগলতি কলপাতত থোৱা খেৰৰ জুমুঠি দুটাৰ মাজত পটাগুটি এটা দি থয়। দৰা-কইনাই জুমুঠিটোৰ ওপৰত ভৰি দি পীৰাখনত বহে। মাকে তামোল এটাৰ ওপৰত আঙুঠি এটা দি মূৰত তেল দিয়ে। পিহি ৰখা মাহ-হালধি ঘঁহি নোওৱা হয়। নোওৱাৰ আগে আগে দৰা-কইনাৰ নখ চিকণোৱা হয়। কাপোৰ সলোৱাৰ পাছত আম-সাৰ আৰু চাকি-সাৰ দিয়া হয়।
- **দৈয়ন দিয়া ঃ** অসমীয়া বিবাহ অনুষ্ঠানত দৈয়ন দিয়া নিয়ম প্ৰচলিত। বিয়াৰ দিনা ৰাতিপুৱাতে কোঠাৰ দুৱাৰমুখত বৰপীৰা পাৰি তাত কইনাক বহিবলৈ দিয়া হয়। কাঁহী এখনত দৈ, তিল আৰু কেইখিলামান পাণ লৈ দুৱাৰৰ সিফালে থৈ দিয়ে। কইনাৰ মাকে আগগুৰি নকটা পাণ কেইখিলা কাঁহীত জুবুৰীয়াই কইনাৰ মুখৰ পৰা ভৰিলৈকে উৰুলি দি তিনিবাৰ সানি দিয়ে। কইনাক দৈ সনা এই পৰ্যই পুৱাৰ পৰিৱেশটো উৎসৱমুখৰ কৰি তোলে।
- **গাঁঠিয়ন খুন্দা ঃ** অসমীয়া বিবাহৰ অন্য এক উপাদান হৈছে গাঁঠিয়ন খুন্দা। অধিবাসৰ দিনা গাঁঠিয়ন খুন্দা নিয়ম কৰা হয়। কইনাক মড়লৰ কাষত বহুৱাই সমুখত শিলৰ পটাত গাঁঠিয়ন, মুঠা, গন্ধ-বিৰিণা থোৱা হয়। কইনাক আগুৰি কেইগৰাকীমান আয়তীয়ে ইয়াক খুন্দে। তাৰপিছত তেলত ডুবাই দুবৰিৰ আগেৰে কইনাৰ মূৰত দিয়া হয়। গাঁঠিয়ন খুন্দা হৈ যোৱাৰ পিছত ঘৰৰ কোনোবা এজনে কইনাক হবিষ্যান্ন খুৱাই দিয়ে।
- **আখৈ তোলা ঃ** আখৈ তোলা হৈছে এক মাংগলিক কৰ্ম। কইনাৰ মাকে আখৈ বাজে। আখৈ ভাজোঁতে আখৈ ফুটিলে ভাল আৰু নুফুটিলে অমংগল বুলি ধৰা হয়। কইনাৰ ভায়েকে নিটো উপবাসে থাকি হোমৰ গুৰিত কইনাৰ হাতত আখৈ তুলি দিয়ে। আখৈখিনি কইনা আৰু দৰাই যজ্ঞত অৰ্পণ কৰে।
- **বিয়া নাম ঃ** বিয়ানাম বিবাহ অনুষ্ঠানৰ এক গুৰুত্বপূৰ্ণ অংশ। বিয়ানামৰ যোগেদি দৰা-কইনাক আহিবলগীয়া জীৱনৰ বাৰ্তা প্ৰদান কৰে। বিয়া এখনত আৰম্ভণিৰ পৰা শেষলৈ এই বিয়ানামবোৰে পৰিৱেশটো সজীৱ কৰি ৰাখে। জোৰণ, পানী তোলা, নোওৱা, হোমৰ গুৰি আদি নিয়ম কৰোঁতে আয়তীসকলৰ মুখত বিধে-বিধে বিয়ানাম শুনিবলৈ পোৱা যায়। বিয়ানামবোৰত ঘৰুৱা জীৱন, প্ৰকৃতিৰ উপাদানসমূহৰ চিত্ৰ প্ৰতিফলিত হয়। বিয়ানামবোৰত পৌৰাণিক চৰিত্ৰৰ উল্লেখ পোৱা যায়। কৃষ্ণ-ৰুক্মিণী, শিৱ-পাৰ্বতী চৰিত্ৰবোৰৰ উল্লেখেৰে দৰা-কইনাক আগন্তুক বৈবাহিক জীৱনৰ

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

বাৰ্তা প্ৰদান কৰে। বিয়ানামবোৰ দুইধৰণে ভগাব পাৰি— গহীন আৰু ৰুচিপূৰ্ণ আৰু আনটো যোৰানাম। আমাৰ বিবাহ অনুষ্ঠানত প্ৰচলিত কেইটামান বিয়ানাম হৈছে—

জোৰণত গোৰা বিয়ানাম—

"ডলা আনা ডুলিয়া, জাপী আনা লগুৱা।
জোৰোণ আহি ৰৈ আছে, কইনাক আনা উলিয়াই।
লাই হালে জালে, ডলা আনা ডুলিয়া।
আবেলি বতাহে, ডলা আনা ডুলিয়া।
লফা হালে জালে পাতেহে, ডলা আনা ডুলিয়া, জাপী আনা লগুৱা।
জোৰোণ আহি ৰৈ আছে, কইনাক আনা উলিয়াই।
আমাৰে আইদেউ, ডলা আনা ডুলিয়া।
হালিছে জালিছে, ডলা আনা ডুলিয়া।
আজি লঘোণীয়া গাতেহে, ডলা আনা ডুলিয়া, জাপী আনা লগুৱা।
জোৰোণ আহি ৰৈ আছে, কইনাক আনা উলিয়াই।"[5]

পানী তোলা বিয়া নাম—

"ফুল চন্দন তুলসী ভৰিল নে নভৰিল ৰাধা তোমাৰ কলচী।
পানী তুলি ৰাধা, ফুল চন্দন তুলসী।
পাছলৈ নাচাবা, ফুল চন্দন তুলসী।
সাগৰো আহিব ভাগিহে, ফুল চন্দন তুলসী ভৰিল নে নভৰিল
ৰাধা তোমাৰ কলচী।
সাগৰো ভাগিব, পুল চন্দন তুলসী।
জগৰো লাগিব, ফুল চন্দন তুলসী।
নিবহি দৈৰকীক ধৰিহে, ফুল চন্দন তুলসী ভৰিল নে নভৰিল
ৰাধা তোমাৰ কলচী।"[6]

নোওৰা বিয়া নাম—

"মাহ কেলেই ঘঁহিছা, হালধী কেলেই ঘঁহিছা
কাৰ কাৰণে আইদেউ বোপাই তুলি ইমান কষ্ট কৰিছা।
ঊষাৰ কথা শুনি, মাহ কেলেই ঘঁহিছা।
ওলাল চিত্ৰলেখা, মাহ কেলেই ঘঁহিছা।
জাকৰ বাচি ল'লৈ ঘোঁৰাহে, মাহ কেলেই ঘঁহিছা, হালধী কেলেই ঘঁহিছা
কাৰ কাৰণে আইদেউ বোপাই তুলি ইমান কষ্ট কৰিছা।

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

বাটত লগে পাই, মাহ কেলেই ঘঁহিছা।
নাৰদে সুধিলে, মাহ কেলেই ঘঁহিছা।
ক'লৈ যোৱা চিত্ৰলেখাহে, মাহ কেলেই ঘঁহিছা, হালধী কেলেই ঘঁহিছা।
কাৰ কাৰণে আউদেউঐ বোপাই তুমি ইমান কষ্ট কৰিছা।"[7]

## ৭.০ বিবাহৰ সৈতে জড়িত লোকবিশ্বাস ঃ

- কইনা বিদায়ৰ সময়ত কইনাই চাউল হাতত লৈ পিছফালে ছটিয়াই থৈ যায়। মাকে সেয়া আঁচল পাতি ধৰে। লোকবিশ্বাস অনুসৰি এনে নকৰিলে লক্ষ্মী আনৰ ঘৰলৈ যায়।
- জোৰোণ দিবলৈ যাওঁতে দৰা ঘৰৰ কোনো ব্যক্তিয়ে কইনাঘৰৰ পৰা চূণৰ টেমা চোৰ কৰি আনি কইনা ঘৰৰ পানী পৰা ঠাইত পুতি থলে বৰষুণ দিয়া বন্ধ হৈ যায় বুলি লোকবিশ্বাস আছে।
- জোৰোণ দিবলৈ যাওঁতে দৰা ঘৰৰ পৰা বাকলি নথকা মাছ এটা নিয়া হয়। মাছ হৈছে প্ৰজননৰ প্ৰতীক।
- দৰা ওলাই যোৱাৰ সময়ত বৰষুণ দিলে যাত্ৰা শুভ হয় বুলি কোৱা হয়।
- পানী তুলি আহি থাকোঁতে পিছফালে ঘূৰি চাবলৈ নাপায় বুলি লোকবিশ্বাস আছে।
- কইনা খুজিবলৈ যাওঁতে ভৰা কলহ দেখিলে দৰা-কইনাৰ ৰাজযোৱা হয় বুলি বিশ্বাস কৰে।
- তোলনী বিয়াত আখৈ ভাজোতে যদি নুফুটে তেন্তে ভৱিষ্যতে ছোৱালীজনীৰ সন্তান নহয়। যদি আখৈ বাজোতে গোটা হ'লে ল'ৰা সন্তান আৰু আখৈকেইটা পাহি মেলা হ'লে ছোৱালী সন্তান জন্ম হয় বুলি লোকবিশ্বাস আছে।

## ৮.০ উপসংহাৰ ঃ

উক্ত আলোচনাত লোকসংস্কৃতি এক উপাদান বিবাহ অনুষ্ঠানৰ বিষয়ে আলোচনা কৰা হ'ল। সংস্কৃতিৰ এটা ভাগ লোকসংস্কৃতি হৈছে লোকজীৱনৰ প্ৰতিটো উপাদানৰ প্ৰতিচ্ছবি। বিবাহ লোকসংস্কৃতিৰ অংগ। এই আলোচনাত লোকসংস্কৃতিৰ চমু আভাস দি বিবাহ অনুষ্ঠানৰ বিষয়ে আলোচনা কৰা হৈছে। আমাৰ অসমীয়া সমাজত প্ৰচলিত বৰ বিয়া, তোলনী বিয়া আৰু অসমত বসবাস কৰা বিভিন্ন জনজাতিৰ বিবাহ প্ৰথাৰ এক চমু আভাস দিয়া হৈছে। বিশেষভাৱে দেউৰী, তিৱা, ৰাভা জনজাতিৰ বিয়াৰ বৰ্ণনা কৰা হৈছে। সমাজত প্ৰচলিত ভেকুলী বিয়াৰ বিষয়েও বৰ্ণনা দিয়া হৈছে। বিবাহৰ লগত জড়িত জোৰোণ, পানী তোলা, বিয়ানাম, আখৈ তোলা, দৈয়ন দিয়া এই উপাদানসমূহৰ চমু আভাস দিয়া হৈছে। বিবাহ এখনৰ লগত জড়িত লোকবিশ্বাসৰ কথা উল্লেখ কৰা হৈছে।

## ৮.১ প্ৰাপ্ত সিদ্ধান্ত ঃ

- লোকসংস্কৃতি হৈছে সাধাৰণ মানুহৰ জীৱন, আশা-আকাংক্ষা, হৰ্ষ-বিষাদ, ৰীতি-নীতি, চিন্তা ভাবনা আদিৰ প্ৰতিফলন। সমাজত প্ৰচলিত মৌখিক সাহিত্য, লোকাচাৰ, বিশ্বাস-অন্ধবিশ্বাস সকলোবোৰ


Published by IQAC, Bahona College

নিজৰ মাজত সামৰি লোকসংস্কৃতি আগবাঢ়ি যায়। লোক-সংস্কৃতি অনাক্ষৰী, সহজ-সৰল মানুহৰ দ্বাৰা দৃষ্টি। লোক-সংস্কৃতি ধীৰ, স্থিৰ যদিও মানুহৰ মুখ বাগৰি আহোঁতে পৰিৱৰ্তন হয়। তাৰোপৰি কৃষিজীৱী গ্ৰাম্য সমাজৰ এখন সুন্দৰ প্ৰতিচ্ছবি প্ৰতিফলিত হয়।

❖ অসমীয়া সমাজত প্ৰচলিত বৰ বিয়া, তোলনী বিয়াৰ ৰীতি-নীতি, বিয়ানাম আনতকৈ সুকীয়া। বিয়াই দুটা পৰিয়াল, দুখন সমাজক একত্ৰিত কৰে। এই সকলোবোৰে এক আনন্দমুখৰ পৰিৱেশ গঢ়ি তোলে। এক প্ৰকাৰে ক'বলৈ গ'লে বিবাহে সামাজিক দিশটোৰ প্ৰতিফলন ঘটায়।

❖ অসমৰ লোকসংস্কৃতি সমৃদ্ধ কৰাত সহায় কৰা জনজাতিসকলৰ বিবাহ অনুষ্ঠানত ৰীতি-নীতিসমূহৰ গুৰুত্ব তথা প্ৰয়োজনীয়তা আছে।

## ৮.২ ভৱিষ্যত অধ্যয়নৰ সম্ভাৱনীয়তা ঃ

➢ বিবাহ অনুষ্ঠানত পালন কৰা নীতি-নিয়মসমূহৰ কিছুমান এৰি দিয়াৰ ফলত হেৰাই গৈছে। সেই নীতি-নিয়মসমূহৰ বিষয়ে অধ্যয়ন কৰি উদ্ধাৰ কৰাৰ থল আছে।

➢ এখন বিয়াৰ লগত বিভিন্ন বিশ্বাস আৰু অন্ধবিশ্বাস জড়িত হৈ আছে। সেইসমূহৰ বিষয়ে আলোচনা কৰিব পাৰি।

➢ অসমত বসবাস কৰা জনজাতিসমূহৰ বিবাহ প্ৰথাৰ বিষয়ে বিতংভাৱে আলোচনা কৰিব পৰা থল আছে।

➢ বৰ্তমান বিবাহ অনুষ্ঠানত আহি পৰা পৰিৱৰ্তনে সৃষ্টি কৰা সমস্যাসমূহ আৰু সেইবোৰৰ সমাধানৰ বিষয়ে আলোচনা কৰিব পৰা যায়।

**পাদটীকা ঃ**

1 শৰ্মা, নবীন চন্দ্ৰ ঃ অসমীয়া লোক-সংস্কৃতিৰ আভাস, পৃ. 40।
2 শৰ্মা, নবীন চন্দ্ৰ ঃ উল্লিখিত, পৃ. 48।
3 বিশ্বাস, মিলকান্তি ঃ উল্লিখিত, পৃ. 13।
4 শৰ্মা, নবীন চন্দ্ৰ ঃ পূৰ্ব উল্লিখিত, পৃ. 41।
5 তথ্যদাতা ঃ দীপালী নাথ, শিৱসাগৰ নাথগাঁও, বয়স, 65।
6 তথ্যদাতা ঃ বিনিতা বৰা, বাহনা নাথগাঁও, বয়স, 40।
7 তথ্যদাতা ঃ দীপালী নাথ, শিৱসাগৰ নাথগাঁও, বয়স, 65।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

1 গোস্বামী, ভৃগুমোহন ঃ সংস্কৃতি কৃষ্টি জনকৃষ্টি আৰু অন্যান্য, চন্দ্ৰ প্ৰকাশ, পাণ বজাৰ, গুৱাহাটী-1, প্ৰথম প্ৰকাশ ছেপ্টেম্বৰ, 2012।

ISSN : 3048-6394
Vol.: 01, Issue: 01; January, 2024

2 দাস, নাৰায়ণ; ৰাজবংশী, পৰমানন্দ (সম্পা.) ঃ অসমীয়া সংস্কৃতি কণিকা, চন্দ্ৰ প্ৰকাশ, পুনৰ মুদ্ৰন, 2015।

3 দেউৰী, বিদ্যাভূষণ ঃ দেউৰী জাতিৰ ইতিহাস আৰু কৃষ্টি-সংস্কৃতিৰ পম খেদি, দেউৰী প্ৰকাশন, প্ৰথম প্ৰকাশ, জানুৱাৰী, 2011।

4 নাথ, প্ৰফুল্ল কুমাৰ ঃ অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ৰূপৰেখা আৰু অসমৰ জনগোষ্ঠীয় ঐতিহ্য, বুকলেণ্ড, প্ৰথম প্ৰকাশ, জানুৱাৰী, 2009।

5 পাতৰ, মিলেশ্বৰ ঃ তিৱা জাতিৰ সমাজ আৰু সংস্কৃতি, তিৱা বুদ্ধিজীৱী মঞ্চ, দ্বিতীয় প্ৰকাশ, ডিচেম্বৰ, 2022।

6 বৰদলৈ, নিৰ্মলপ্ৰভা ঃ অসমৰ লোক সংস্কৃতি, বীণা লাইব্ৰেৰী, পুনৰ মুদ্ৰণ, মাৰ্চ, 2014।

7 বিশ্বাস, মিলকান্তি ঃ প্ৰসঙ্গ ঃ লোকসংস্কৃতি, বঙ্গীয় সাহিত্য সংসদ, প্ৰথম প্ৰকাশ, 2014।

8 শইকীয়া, নগেন ঃ অসমৰ লোক-সাহিত্য, জ্যোতি প্ৰকাশন, প্ৰথম প্ৰকাশ, মে’ 2014।

9 শৰ্মা, নবীন চন্দ্ৰ ঃ অসমীয়া লোক-সংস্কৃতিৰ আভাস, বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড, ষষ্ঠ প্ৰকাশ, 2017।

10. হাকাচাম, উপেন ৰাভা ঃ বৰ অসমৰ বৰ্ণিল সংস্কৃতি, বীণা প্ৰকাশন, প্ৰথম প্ৰকাশ, মে’, 2008।

■ ■ ■